# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১৯ মাৰ্চত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী হজৰত উচমান (ৰাঃ)ৰ প্ৰশংসনীয় নেক গুণাৱলী সম্পৰ্কে ঈমান বৰ্দ্ধক ঘটনাসমূহৰ চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ বিষয়ে স্মৃতি মন্থণ স্বৰূপে বৰ্ণনা ধাৰাবাহিক ভাৱে চলি আছে। তেখেত (ৰাঃ)ৰ শ্বাহাদতৰ পিছৰ ঘটনা সম্পৰ্কে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে লিখিছে যে বিক্ষোপকাৰী নৈৰাজ্যবাদী বিদ্ৰোহী সকলে হজৰত উচমান (ৰাঃ)ক শ্বহীদ কৰি দিয়াৰ পিছত তেখেতৰ লাচ মোবাৰক দফন কৰালৈয়ো কাজিয়াৰ সুত্ৰপাত ঘটাবলৈ আপত্তি উথাপন কৰিছিল আৰু তিনি দিন লৈকে এখেত (ৰাঃ)ৰ দফন কাৰ্য সমাধা হোৱা নাছিল। অৱশেষত চাহাবা সকলৰ এটা জমাতে সাহস গোটাই ৰাতিৰ বেলিকা হজৰত উচমান (ৰাঃ)ৰ লাচ মোবাৰক দফন কৰিছিল।

হজৰত আবু মুছা আশ্বআৰী (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এবাৰ মোক লৈ নবী (ছাঃ)য়ে এটা বাগানত প্ৰৱেশ কৰে আৰু মোক সেই বাগানৰ দুৱাৰ মূখত পহৰা দিবলৈ আদেশ দিয়ে। এনেতে এজন লোকে আহি বাগানৰ ভিতৰত সোমাবলৈ অনুমতি বিচাৰে। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে কৈছিল তাক ভিতৰলৈ আহিব দিয়া আৰু তাক জান্নাতৰ সুসংবাদ দিয়া, তেতিয়া দেখিছিলো যে লোকজন হজৰত আবু বক্কৰ (ৰাঃ)। ইয়াৰ পিছত আৰু এজন লোকে আহি বাগানৰ ভিতৰত যাবলৈ অনুমতি বিচাৰে তেতিয়াও তেখেত (ছাঃ)য়ে কৈছিল তাকেও আহিবলৈ দিয়া আৰু তাক জান্নাতৰ সুসংবাদ দিয়া। তেতিয়া মই দেখিছিলো যে তেওঁ হ'ল হজৰত উমৰ (ৰাঃ)। ইয়াৰ পিছত আন এজন লোকে আহি ভিতৰলৈ যোৱাৰ অনুমতি বিচাৰে, তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কিছু সময় মনে মনে থাকি কৈছিল তেওঁক ভিতৰলৈ আহিব দিয়া আৰু তাক জান্নাতৰ সুসংবাদ দিয়া কিন্তু এটা ডাঙৰ বিপদৰ তেওঁ সন্মুখীন হ'ব। তেতিয়া দেখিলো যে তেওঁ হ'ল হজৰত উচমান বিন আফফান (ৰাঃ)।

হজৰত আনছ (ৰাঃ)ৰ পৰা বৰ্নিত আছে যে এবাৰ ৰছুলুল্লাহ (ছাঃ)য়ে উহুদৰ পাহাৰৰ ওপৰত উঠিছিল। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ),হজৰত উমৰ (ৰাঃ)আৰু হজৰত উচমান (ৰাঃ) এই তিনিও তেখেত (ৰাঃ)ৰ লগতে আছিল আৰু উহুদৰ পাহাৰ খন জোকাৰিবলৈ আৰম্ভ কৰিছিল তেতিয়া নবী (ছাঃ)য়ে কৈছিল- উহুদ তুমি

স্থিৰ হৈ যোৱা। ৰাৱী কৈছে যে মোৰ ধাৰণা হয় যে তেখেত (ছাঃ)য়ে উহুদৰ ওপৰত নিজৰ ভৰিৰে গচক মাৰি কৈছিল- তোৰ ওপৰত এজন নবী আৰু এজন ছিদ্দিক আৰু দুজন শ্বহীদ উঠি আছে। হজৰত ইবনে উমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে এটা বিবাদ সম্পৰ্কে উল্লেখ কৰি কৈছিল যে এইজন ব্যক্তিয়ে বিবাদত নিৰ্যাতীত হৈ নিৰ্যান কৰিব; কথাখিনি তেখেত (ছাঃ)য়ে হজৰত উচমান (ৰাঃ)ৰ ফালে আঙুলিয়াই কৈছিল- হজৰত আলি (ৰাঃ)ক কোৱা হৈছিল যে আপুনি আমাক হজৰত উচমান (ৰাঃ)ৰ বিষয়ে কিবা জনাওঁক। তেতিয়া আলি (ৰাঃ)য়ে কৈছিল তেখেত এনেকুৱা ব্যক্তি আছিল, যিজন আল্লাহ তা'লাৰ ওচৰতও জুন্নুৰাইন আছিল। হজৰত আলি (ৰাঃ)য়ে কৈছে হজৰত উচমান (ৰাঃ) আমাৰ সকলোৰে মাজত আটাইতকৈ বেছি উত্তম আচৰণ কৰোঁতা লোক আছিল। হজৰত আয়শা (ৰাঃ)য়ে যেতিয়া হজৰত উচমান (ৰাঃ)ৰ শ্বাহাদতৰ খবৰ পাইছিল তেতিয়া তাই কৈছিল সিহঁতে উচমান (ৰাঃ)ক হত্যা কৰি পেলালে, অৱশ্যে হজৰত উচমান (ৰাঃ) তেওঁলোকতকৈ উত্তম আচৰণৰ লোক আছিল, তেওঁলোকতকৈ বেছি সৃষ্টি কৰ্তাৰ তাকৱাদাৰ আছিল। আলাছ তিয়াবত লিখা আছে যে আঁ-হজৰত (ছাঃ)য়ে কৈছে যে মই মোৰ প্ৰতিপালকৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ যে তেওঁ যেন এনেকুৱা কোনো লোকক অগ্নিত নিক্ষেপ নকৰে যিসকলে মোৰ জোৱাই হয় আৰু যিসকলৰ মই জোৱাই হওঁ।

হজৰত উচমান (ৰাঃ)ৰ আকৃতি চেহেৰা সম্পৰ্কে লিখা আছে যে তেখেত (ৰাঃ) বৰ চাপৰ বা বৰ ওখও নাছিল অৰ্থাৎ মজলীয়া আকৃতিৰ লোক আছিল। তেখেত (ৰাঃ)দেখিবলৈ বৰ সুঠাম আৰু ধুনীয়া,গাৰ ছাল কোমল,দাড়িবোৰ ডাঠ আৰু দীঘল, গাৰ ৰং শুৱনী, শক্তিশালী বাহু, কান্ধ বহল আৰু মূৰৰ চুলি ডাঠ (ঘন) আছিল। তেখেত (ৰাঃ)য়ে দাড়িত জৰথীয়া ৰং হানি লৈছিল। মুছা বিন তালহা বৰ্ণনা কৰিছে যে হজৰত উচমান (ৰাঃ)সকলো লোকতকৈ বেছি ধুনীয়া আছিল। আশ্বৰাহ মোবাশ্বৰা (সুসংবাদ প্ৰাপ্ত দহজন)ৰ মাজৰ এজন আছিল।

আঁ-হজৰত (ছাঃ)ৰ সৈতে হজৰত উচমান (ৰাঃ)ৰ জান্নাতত হোৱা বন্ধুত্ব সুলভ সম্পৰ্কৰ বিষয়ে উল্লেখ আছে যে নবী কৰিম (ছাঃ)য়ে কৈছে প্ৰত্যেক জন নবীৰেই এজনকৈ বন্ধু থাকে আৰু মোৰ বন্ধু অৰ্থাৎ জান্নাতত মোৰ লগৰীয়া হ'ব হজৰত উচমান। হজৰত জাবিৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এবাৰ মই ৰছুলে কৰিম (ছাঃ)ৰ লগত মুহাজেৰিণৰ এটা দলৰ সৈতে এখন ঘৰত আছিলো, য'ত আবু বক্কৰ,উমৰ,উচমান,আলি, তালহা, জুবেৰ,আব্দুৰ ৰহমান বিন আউফ আৰু ছাআদ বিন আবি উকাচ (ৰিজোৱানাল্লাহে আলাইহিম) উপস্থিত আছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল প্ৰত্যেক জনেই নিজৰ নিজৰ বংশধৰৰ লগত থিয় হৈ যোৱা। এই বুলি ৰছুলুল্লাহ (ছাঃ)য়ে গৈ হজৰত উচমান (ৰাঃ)ৰ লগত থিয় হৈ গৈছিল আৰু তেখেত (ৰাঃ)ৰ লগত গলা-গলি কৰিছিল আৰু কৈছিল-

اَنتَ وَلِيٌّ فِي الدُّنْيَا وَوَلِيٌّ فِي الْاٰخِرَةِ

অৰ্থাৎ তুমি ইহজগততও মোৰ বন্ধু আৰু পৰকালতও (মোৰ বন্ধু)।

আঁ-হজৰত (ছাঃ)ৰ জীৱন কালতেই মছজিদে নৱবী নতুনকৈ আহল-বহল কৰোৱা হৈছিল, তাতেও হজৰত উচমান (ৰাঃ)য়ে অংশ লোৱাৰ সৌভাগ্য লভিছিল? আঁ-হজৰত (ছাঃ)য়ে প্ৰথম হিজৰী চনৰ ৰবিউল আউৱাল মাহ অনুযায়ী ৬২২ চনৰ অক্টোবৰ মাহৰ শেষ ভাগত নিজৰ মোবাৰক হাতেৰে মছজিদে নৱবীৰ আধাৰশিলা স্থাপন কৰিছিল। উক্ত নিৰ্মাণ কামটো প্ৰথম হিজৰীৰ শ্বোৱাল মাহ অনুযায়ী ৬২৩ চনৰ এপ্ৰিল মাহত সম্পূৰ্ণ হৈছিল। ৰছুলে কৰিম (ছাঃ)ৰ সময়তেই মছজিদ নৱবী প্ৰথম বাৰলৈ ৭ হিজৰি চনৰ মহৰৰম মাহ অনুযায়ী

৬২৮ খৃষ্টাব্দৰ জুন মাহত আকৌ আহল-বহল কৰা হৈছিল। ৰছুলুল্লাহ (ছাঃ)য়ে খয়বৰৰ যুদ্ধত বিজয় লাভ কৰি ওভতি আহিয়েই মছজিদ নৱবী আহল-বহল কৰি নিৰ্মাণ কৰাৰ আদেশ জাৰি কৰিছিল। মছজিদ নৱবীৰ উত্তৰ ফালে নিচেই কাষতেই এজন আনছাৰী চাহাবীৰ ঘৰ আছিল; যিজনে সেই ঘৰ এৰি দি ঠাই খালি কৰিবলৈ অলপ ওজৰ-আপত্তি কৰিছিল। হজৰত উচমান (ৰাঃ)য়ে নিজৰ পকেটৰ পৰা দহ হাজাৰ দিনাৰৰ বিনিময়ত সেই ঘৰ খন কিনি লৈছিল আৰু নবী কৰিম (ছাঃ)ৰ খিদমতত দান কৰি দিছিল। আঁ-হজৰত (ছাঃ)য়ে সেই ঠাই খিনিও মছজিদৰ লগত চামিল কৰি লৈছিল।

হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত মছজিদ নৱবী দ্বিতীয়বাৰ আকৌ ১৭ হিজৰীত ডাঙৰকৈ নিৰ্মাণ কৰা হৈছিল। ২৪ হিজৰীত যেতিয়া হজৰত উচমান (ৰাঃ)য়ে খলিফা হিচাপে নিৰ্বাচিত হৈছিল তেতিয়া আকৌ মুছলমান সকলে তেখেত (ৰাঃ)ৰ ওচৰত আবেদন জনাইছিল যে মছজিদ নৱবী আৰু আহল-বহল ডাঙৰ কৰিব লাগে। এওঁলোকে বহিবলৈ ঠাই নহয় বুলি আপত্তি জনাইছিল। হজৰত উচমান (ৰাঃ)য়ে চাহাবা ইকৰামাৰ লগত আলোচনা কৰাত সকলোৱে মত দিছিল যে পুৰণি মছজিদ ভাঙি পেলাই সেই ঠাইতে এখন নতুন মছজিদ নিৰ্মাণ কৰা যাওঁক।এদিন হজৰত উচমান (ৰাঃ)য়ে জহৰ নমাজৰ পিছত কৈছিল যে মই এই পুৰণি মছজিদখন ভাঙি পেলাই ইয়াৰ সলনি ইয়াত এখন নতুন মছজিদ নিৰ্মাণ কৰিব বিচাৰো আৰু মই সাক্ষী দিওঁ যে মই ৰছুলুল্লাহ (ছাঃ)ৰ মোবাৰক মূখৰ পৰা শুনিছো যে যিজনে মছজিদ বনায় আল্লাহ তা'লা তাক জান্নাতত এটা ঘৰ প্ৰদান কৰিব। মোৰ আগত হজৰত উমৰ ফাৰুক (ৰাঃ)ৰ হাতত মছজিদ নৱবী আহল-বহল আৰু নতুনকৈ নিৰ্মাণ হোৱাটো মোৰ বাবে উদাহৰণ আৰু দৃষ্টান্ত স্বৰূপ। মই পৰামৰ্শ দাতা আচহাব সকলৰ সৈতে এই বিষয়ে আলোচনা কৰিছোঁ, তেওঁলোক সকলোৰে অভিমত এয়া যে বৰ্তমানৰ মছজিদ নৱবী ভাঙি আকৌ নতুনকৈ নিৰ্মাণ কৰা উচিত। আকৌ কেইজনমান চাহাবা কৰামে এই সম্পৰ্কে নিজৰ নিজৰ ফালৰ পৰা মছজিদ খন ৰখাৰ বাবে পৰামৰ্শ দিছিল,তেওঁলোকৰ মতে মছজিদ ভাঙি নতুনকৈ নিৰ্মাণ কৰাটো ঠিক নালাগিছিল। যেতিয়া হজৰত উচমান (ৰাঃ)য়ে সকলোকে নিজৰ ফলীয়া কৰাত সফলতা লাভ কৰিছিল তেতিয়া ২৯ হিজৰীৰ ৰবিউল আওৱাল মাহ অনুযায়ী ৬৪৯ চনৰ নৱেম্বৰ মাহত মছজিদৰ কামৰ শুভাৰম্ভ কৰিছিল। এই নতুনকৈ কৰা নিৰ্মাণৰ কাম কেৱল মাত্ৰ দহ মাহৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিছিল আৰু ৩০ হিজৰীৰ ১ মহৰৰম তাৰিখত মছজিদ নৱবী (নমাজৰ বাবে) সাজু হৈ গৈছিল। হজৰত উচমান (ৰাঃ)য়ে নিজে মছজিদৰ কাম পৰিচালনা কৰিছিল। সদায় ৰোজা (নফল ৰোজা) ৰাখিছিল আৰু ৰাতি টোপনি ধৰিলে মছজিদত শুই থাকিছিল। হজৰত উচমান (ৰাঃ)য়ে মছজিদ নৱবী দক্ষিণত কিবলাৰ ফালে বঢ়াই দিছিল আৰু তাৰ কিবলাৰ দেৱাল সেই ঠাইলৈ বঢ়াই দিছিল য'ত আজিও বিদ্যমান আছে। হজৰত উচমান (ৰাঃ)ৰ সময়ত মছজিদৰ দৰ্জাৰ সংখ্যা আছিল ছয় খন। প্ৰথমবাৰ মছজিদ নৱবীত পাথৰৰ ওপৰত ছবি আঁকোৱা হৈছিল। পিছত সেইবিলাক বগা ৰঙেৰে ঢাকি দিয়া হৈছে। হজৰত খাৰজা বিন জায়েদৰ বৰ্ণনা অনুযায়ী বুজা যায় যে হজৰত উচমান (ৰাঃ) য়ে মছজিদ নৱবীৰ পূব আৰু পশ্চিমৰ বেৰ দুটাত লাইট (চাকি) ৰখাৰ ব্যৱস্থা কৰি আছিল। এই বিষয়ে বৰ সতৰ্কতা অৱলম্বন কৰা হৈছিল যে নতুনকৈ নিৰ্মাণ কৰা খুঁটি বিলাকৰ ঠাইতেই স্থাপিত কৰা হয়, য'ত নবী কৰিম (ছাঃ)য়ে এই মছজিদ বনোৱাৰ সময়ত খেজুৰ গছৰ খুঁটি ব্যৱহাৰ কৰিছিল। আনহাতে যিহেতু হজৰত উমৰ (ৰাঃ)য়ে মছজিদ নৱবীৰ মেহৰাবত নমাজৰ ইমামতি কৰাৰ সময়ত শ্বাহাদত বৰণ কৰিছিল, সেয়ে এই বিষয়টো নিশ্চিত কৰাৰ বাবে যে যাতে ভৱিষ্যতলৈ এনেকুৱা আৰু দুৰ্ঘটনা ঘটিব নোৱাৰে, হজৰত উচমান (ৰাঃ)য়ে মেহৰাবত এটা ইমাম থিয় হ'বলৈ সৰু ঘৰ

(খোতবা দিয়া ঠাই) নির্মাণ কৰাইছিল,যিটো মাটিৰ ইটাৰে বনোৱা হৈছিল। সেই স্থানত খিৰিকি আৰু বিন্ধা ৰখা হৈছিল যাতে মুক্তাদি সকলে নিজৰ ইমামক দেখিবলৈ পায়। এয়াই আছিল সৰ্ব প্ৰথম নিৰাপত্তা ব্যৱস্থা যি মছজিদ নৱবীত নিৰ্মাণ কৰা হৈছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মই হজৰত উচমান (ৰাঃ)ক হজৰত ছোলাইমান (আঃ)ৰ লগত তুলনা কৰো কাৰণ এখেত (আঃ)য়ে কৈছে যে এয়া জৰুৰী নহয় যে মছজিদ মতিৰে সজোৱা আৰু পকী হ'ব লাগিব বৰং কেৱল মাত্ৰ মাটিত এটা চাৰিসীমা নিৰ্ধাৰণ কৰি দিয়া উচিত আৰু বাঁহ কাঠ আদিৰে কোনোমতে এটা চালি বান্ধি ল'ব লাগে যাতে ৰদ বৰষুণত অসুবিধা নহয়। খোদা তা'লা লোক দেখুওৱা কাৰ্য্য (প্ৰদৰ্শনীয়তা) ভাল নাপায়। আঁ-হজৰত (ছাঃ)ৰ মছজিদ কেইটামান খেজুৰ গছৰ ডাল পাতেৰে সজোৱা আছিল আৰু তেনেদৰেই চলিছিল। পিছত হজৰত উচমান (ৰাঃ)য়ে নিজৰ জাক-জমক প্ৰিয়তা স্বভাৱৰ কাৰণে মছজিদ পকীকৰণ কৰাইছিল। মোৰ ধাৰণা হয় যে হজৰত ছোলায়মান (আঃ) আৰু হজৰত উচমান (ৰাঃ)ৰ মাজত সকলো ক্ষেত্ৰতেই হুবহু মিল আছিল, সম্ভৱত তাৰ ফলতেই হজৰত উচমান (ৰাঃ)ৰও এই ফালে (অট্ৰালিকা বনোৱাৰ) বৰ হেঁপাহ আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত সৰ্বপ্ৰথম ইছলামী সমুদ্ৰ বাহিনী ২৮ হিজৰীত বনোৱা হৈছিল। আমিৰ মোৱাবিয়া আছিল সেইজন ব্যক্তি যিজনে হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত প্ৰথমে সমুদ্ৰ যুদ্ধ কৰিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ৰিৱায়ত বিলাকত উল্লেখ পোৱা যায় যে আঁ-হজৰত (ছাঃ)ৰ চৰিত্ৰৰ সৈতে হজৰত উচমান (ৰাঃ)ৰ চৰিত্ৰৰ আটাইতকৈ বেছি মিল আছিল। হজৰত আব্দুৰ ৰহমান বিন উচমান বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ জীয়েকৰ ওচৰলৈ আহিছিল তেতিয়া তাই হজৰত উচমান (ৰাঃ)ৰ মূৰ ধুই দি আছিল। তেখেত (ছাঃ)য়ে সুধিছিল হে মোৰ জীয়ৰি, আবু আব্দুল্লাহ অৰ্থাৎ উচমানৰ সৈতে উত্তম আচৰণ কৰিবা কাৰণ তেওঁ মোৰ চাহাবা সকলৰ ভিতৰত চাৰিত্ৰিক হিচাপে আটাইতকৈ বেছি মোৰ চৰিত্ৰৰ সৈতে সাদৃশ্য ৰাখে। হজৰত ইয়াহিয়া বিন আব্দুৰ ৰহমান বিন হাতিব বৰ্ণনা কৰিছে যে মই মোৰ দেউতাকক এয়া কওঁতে শুনিছো (তেখেতে কৈছে) মই ৰছুলুল্লাহ (ছাঃ)ৰ চাহাবা সকলৰ মাজত কথা এটা সম্পূৰ্ণ ভাৱে আৰু সুন্দৰকৈ বৰ্ণনা কৰাৰ ক্ষেত্ৰত হজৰত উচমান (ৰাঃ)তকৈ উত্তম কাকো দেখা নাই, যদিও তেখেতে বেছিকৈ কথা কোৱাটো পৰিহাৰ কৰি চলিছিল। হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই ৰছুলুল্লাহ (ছাঃ)ৰ জীয়েকৰ ঘৰত গৈছিলো (যিজনী হজৰত উচমান (ৰাঃ)ৰ পত্নী আছিল) আৰু তাইৰ হাতত এখন ফণি লৈ থকা দেখিছিলো। তাই কৈছিল যে এই মাত্ৰ ৰছুলুল্লাহ (ছাঃ)য়ে মোৰ ওচৰৰ পৰা গুচি গ'ল আৰু মই তেখেত (ছাঃ)ৰ মূৰ ফণিয়াই দিছো। তেতিয়া তেখেত (ছাঃ)য়ে মোক সুধিছিল যে তুমি আবু আব্দুল্লাহ হজৰত উচমানক কেনে পাইছা ? মই উত্তৰ দিছো যে বৰ উত্তম। তেখেত (ছাঃ)য়ে কৈছে- গতিকে তুমিও তাক সন্মান কৰি চলিবা কাৰণ তেওঁ মোৰ চাহাবা সকলৰ ভিতৰত চৰিত্ৰৰ ক্ষেত্ৰত মোৰ সৈতে সকলোতকৈ বেছি সাদৃশ্য ৰাখে(মিল আছে) হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনা আজি ইমানতে সমাপ্ত হ'ল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে খোতবা জুমাৰ শেষত মাননীয় মুৰাশ্বিৰ আহমদ ৰিণ্দ চাহাব (মোৱাল্লিম ছিলছিলা ৰাৱোৱা) মাননীয় মনিৰ আহমদ ফৰখ চাহাব (প্ৰাক্তন আমিৰ জমাত জিলা ইছলামাবাদ পাকিস্তান) ব্ৰিগেডিয়েৰ (অৱসৰ প্ৰাপ্ত) মাননীয় লতিফ মহম্মদ লতিফ চাহাব (প্ৰাক্তন আমিৰ জিলা ৰাওউল পিণ্ডি) মাননীয় কৌনোক বেক অউমুৰ বেকুফ চাহাব (কৰগিস্থান) আদি মৰহুমিন সকলৰ চমু পৰিচয় দাঙি ধৰে আৰু নমাজে জুমাৰ পিছত এওঁলোকৰ নমাজে জানাজা গায়েব পঢ়া হ'ব বুলি ঘোষণা কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR [aba] 19 MARCH 2021**

# BOOK POST (PRINTED MATTER)

TO,

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**